সু-সংবদ্ধ আৰু পৃথকীকৰণভাৱে হোৱা প্ৰক্ৰিয়া বুলি কোৱা হয়।

## ১.১ (খ) বৃদ্ধি আৰু বিকাশৰ নীতিসমূহ (Principles of Growth and Development) ঃ

জীৱৰ বৃদ্ধি আৰু বিকাশৰ মাজত থকা সম্বন্ধৰ বিষয়ে আগতে উল্লেখ কৰা হৈছে। এই বৃদ্ধি আৰু বিকাশে এক নীতি অনুসৰণ কৰিহে অগ্ৰসৰ হয় যাক বৃদ্ধি বিকাশৰ মূল নীতি বুলি জনা যায়। এই নীতিসমূহৰ দ্বাৰা মানৱ বিকাশৰ ধাৰা, বয়স, অনুপাতে শিশুৰ শাৰীৰিক মানসিক প্ৰস্তুতি, আৰু সিহঁতৰ শাৰীৰিক মানসিকভাৱে হোৱা পৰিৱৰ্তনসমূহৰ বিষয়ে জনাত সহায় হয়। ইয়াৰ উপৰিও বিভিন্ন সময়ত সৃষ্টি হোৱা কেতবোৰ সমস্যা জনাৰ বাবে সমাধান কৰাত সহায় হয়। যেনে— এটি শিশুৱে স্কুলত ভাল ফল দেখুৱাব নোৱাৰাৰ বিভিন্ন কাৰণ হ'ব পাৰে, হয়তো শিশুটি শাৰীৰিকভাৱে দুৰ্বল হ'ব পাৰে, সঘনে বেমাৰত পৰিব পাৰে বা ঘৰত পিতৃ-মাতৃয়ে শিশুটিক তেওঁৰ ককায়েক বা ভায়েকক বেছি মৰম কৰা দেখি হিংসাৰ ভাব গঢ়ি উঠিব পাৰে ইত্যাদি, গতিকে এই সকলোবোৰ জানিবৰ বাবে বৃদ্ধি আৰু বিকাশৰ মূলনীতি সমূহৰ বিষয়ে জনা অতি দৰকাৰ।

বৃদ্ধি আৰু বিকাশৰ এই নীতিসমূহ হ'ল—

**(ক) বৃদ্ধিৰ বিভিন্ন দিশৰ মাজত সম্পৰ্ক আছে ঃ** শিশুৰ বৃদ্ধি আৰু বিকাশৰ বিভিন্ন দিশ যেনে— শাৰীৰিক, মানসিক, সামাজিক, আৱেগিক ব্যক্তিত্ব আদিৰ মাজত এক সম্পৰ্ক আছে। এটা দিশৰ বিকাশে আনটো দিশক আগুৱাই লৈ যায়। যদি কিবা কাৰণত এটা দিশৰ বিজুতি ঘটে আনবোৰ দিশটো ইয়াৰ প্ৰভাব পৰে। যেনে— এটি শিশু শাৰীৰিক ভাবে যদি অক্ষম হয় তেতিয়া সি লগৰ সমনিয়াৰ লগত মিলা-মিচা কৰিব নোৱাৰে ফলত সামাজিক বিকাশত বাধা পায় আৰু আৱেগিক অশান্তিত থাকিব লগাত পৰে।

**(খ) বৃদ্ধিৰ হাৰ ঃ** বৃদ্ধি হ'ল এক অবিৰতভাবে চলি থকা প্ৰক্ৰিয়া, ইয়াৰ এটা স্তৰে আন এটা স্তৰত প্ৰভাব পেলায় আৰু বৃদ্ধি এটা নিৰ্দিষ্ট হাৰতহে হয়, কোনো এক সময়ত এই হাৰ দ্ৰুতগতিত হ'বলৈ ধৰে আৰু কোনো এক সময়ত লেহেমীয়া হয়, উদাহৰণ স্বৰূপে শিশুৰ জন্মৰ পৰা ছয় বছৰ বয়স পৰ্যন্ত দ্ৰুতগতিত বৃদ্ধি হ'বলৈ ধৰে, তাৰ পাছত ইয়াৰ হাৰ কমে বাৰ বছৰ বয়সলৈকে, আকৌ তাৰ পিছৰে পৰা ওঠৰ বছৰলৈকে বৃদ্ধি খৰতকীয়া হয়, অৰ্থাৎ ১২ বছৰ বয়সৰ পাছত শিশুৰ বৃদ্ধিৰ স্ফুৰণ ঘটে। তাৰ পাছত অৰ্থাৎ ১৮ বছৰৰ পাছত বিকাশৰ গতি মন্থৰ হয়।

**(গ) বিকাশৰ নিৰিখ ঃ** দেহৰ বিভিন্ন অংগৰ বৃদ্ধি বিভিন্ন নিৰিখত হয়। অৰ্থাৎ শৰীৰৰ অংগ অনুযায়ি বৃদ্ধিৰ নিৰিখত তাৰতম্য আছে যেনে— শৰীৰৰ স্নায়বিক তন্ত্ৰ অংগসমূহ শিশু অৱস্থাত দ্ৰুত গতিত বিকশিত হয়, কিন্তু যৌন অংগৰ বা প্ৰক্ৰিয়া, কৈশোৰ কালতহে বৃদ্ধি লাভ কৰে।

**(ঘ) ব্যক্তিগত পাৰ্থক্য বা ব্যক্তি বিশেষে পাৰ্থক্য ঃ** প্ৰত্যেক শিশু আন এজনতকৈ জন্মসূত্ৰে আৰু শাৰীৰিকভাবে পৃথক অৰ্থাৎ প্ৰত্যেকেই নিজ নিজ পথেৰেই বৃদ্ধি আৰু বিকাশৰ দিশত আগবাঢ়ে আনকি একে পিতৃ-মাতৃৰ দুজন সন্তানৰ মাজতো আৰু যমজ সন্তানৰ মাজতো বিভিন্ন ক্ষেত্ৰত পাৰ্থক্য দেখা যায়। একে বংশৰ, একে পৰিৱেশত ডাঙৰ হোৱা দুটি শিশুৰ মাজতো যথেষ্ট পাৰ্থক্য দেখিবলৈ পোৱা যায় আৰু এই পাৰ্থক্যসমূহ বয়স বাঢ়ি যোৱাৰ লগে লগে অধিক স্পষ্ট হ'বলৈ ধৰে।

এই পাৰ্থক্যৰ বাবেই একেটা পৰিৱেশৰ একেটা উদ্দীপকৰ প্ৰতি সকলো শিশুৱে একেধৰণেৰে সহাৰি জনোৱাটো আশা কৰিব নোৱাৰি বা একে বয়সৰ শিশুৰ প্ৰত্যেকেই একে মানদণ্ডৰ বৌদ্ধিক কৃতকাৰ্যতা দেখুৱাব পাৰিব বুলি আশা কৰিব নোৱাৰি। সেয়েহে ব্যক্তি বিশেষে থকা পাৰ্থক্যৰ বাবেই সকলো ব্যক্তিয়ে এটা নিজস্ব ব্যক্তিত্ব

গঢ় দি উঠে আৰু এই ব্যক্তিত্ব তেওঁৰ কথা-বতৰা, চাল-চলন, আচৰণ আদিত প্ৰকাশ পায়।

**(ঙ) বৃদ্ধিৰ নমুনা ঃ** এটি শিশু মাতৃদেহৰ অঙ্কুৰিত হোৱাৰে পৰা এটা নিৰ্দিষ্ট নমুনা অনুসৰণ কৰি বৃদ্ধি হয়। প্ৰথমে শিশুটিৰ মূৰৰ গঠন হৈ ক্ৰমান্বয়ে ভৰিলৈকে বিকাশ হয় আৰু পথালিয়ে হোৱা বৃদ্ধিৰ ক্ষেত্ৰত প্ৰথমে বাহু বিকাশ হোৱাৰ পাছত হাতৰ আঙুলি ওলায়। সেইদৰে জন্মৰ পাছত এটা নমুনাৰ মাজেৰে শিশুৰ বিকাশ স্তৰে স্তৰে আগবাঢ়ে। উদাহৰণ স্বৰূপে এটি শিশুৱে জন্মৰ দুই-তিনিমাহৰ পাছত মূৰ দাঙে, হাত ভৰি মাৰে, উবুৰি হ'বলৈ লয়, আঁঠু কাঢ়িবলৈ শিকে, লাহে লাহে আৰু আনৰ সহায়ত থিয় হয়, পিছলৈ নিজে খোজ কাঢ়িব পৰা হয়। এইদৰেই এটা স্তৰ পাৰ হৈ আন এটা স্তৰলৈ গতি কৰে, অৰ্থাৎ নিৰ্দিষ্ট ক্ৰম অনুসৰিহে বৃদ্ধি হয় আৰু পৈণত অৱস্থা প্ৰাপ্ত হয়।

**(চ) বৃদ্ধিৰ বিভিন্ন স্তৰ ঃ** মানৱ জীৱনৰ বৃদ্ধিৰ কালছোৱাক বিভিন্ন স্তৰত ভাগ কৰা হৈছে, যেতিয়া শিশুটিৰ মাতৃ দেহত স্থিতি লোৱাৰ পৰা জন্ম পৰ্যন্ত অৰ্থাৎ ভূমিস্থ হোৱাৰ আগলৈকে এই কালছোৱাক প্ৰাক-প্ৰসূতি কাল, জন্মৰ পৰা দুই বছৰ বা আঢ়ৈ বছৰৰ কালছোৱাক শৈশৱ কাল, দুই বা আঢ়ৈ বছৰৰ পৰা ছয় বছৰ বয়সলৈকে প্ৰাক-বিদ্যালয় কাল, ছয় বছৰৰ পৰা বাৰ বছৰ বয়সলৈকে বিদ্যালয় কাল, বাৰ বছৰত কৈশোৰ কালত প্ৰবেশ কৰি বয়ঃসন্ধি কালছোৱা পাৰ হৈ ১৯-২০ বছৰ বয়সত প্ৰাপ্তবয়স্ক হয়। এই বিভিন্ন স্তৰসমূহৰ প্ৰত্যেকটো স্তৰেই বৈশিষ্ট্যপূৰ্ণ। প্ৰাক-প্ৰসূতি কালত দ্ৰুত গতিত বিকাশ হ'বলৈ ধৰে আৰু জন্মৰ পিছটো ছয় বছৰ পৰ্যন্ত অব্যাহত থাকে অৱশ্যে তাৰ পাছৰ স্তৰত বিকাশৰ গতি কিছু মন্থৰ হয়, কিন্তু যেতিয়া কৈশোৰ কালত প্ৰবেশ কৰে তেতিয়া বৃদ্ধি পুনৰ স্ফুৰণ ঘটে। এই বৃদ্ধি স্ফুৰণৰ বাবে শিশুৰ আচৰণতো পৰিৱৰ্তন দেখা যায়।

**(ছ) বিকাশৰ নিৰিখ অনুমেয় ঃ** বৃদ্ধি আৰু বিকাশৰ আন এটা নীতি হ'ল— বিকাশৰ হাৰ বা নিৰিখ বা কেনেধৰণৰ হ'ব এইটো আগতিয়াকৈ অনুমান কৰিব পাৰি। বিকাশৰ হাৰ প্ৰত্যেক শিশুৰ বাবে স্থিৰ অৰ্থাৎ এটা নিৰ্দিষ্ট হাৰতহে শিশুৰ বিকাশ হ'ব পাৰে, সেয়েহে কোন বয়সত শিশুটিৰ পূৰ্ণতা অৰ্জন কৰিব তাক আগতিয়াকৈ ধৰিব পৰা যায়। সেয়েহে শিশুৰ চূড়ান্ত মানসিক বিকাশ কেনেধৰণৰ হ'ব তাক জনা যায় কাৰণে তাৰ জ্ঞানে শিশুটিৰ বাবে শিক্ষা পৰিকল্পনা বা আঁচনি তৈয়াৰ কৰাত সহায় হয়। ইয়াৰ উপৰিও শিশুটিৰ বাবে উপযোগী কামৰ প্ৰশিক্ষণ দিবলৈ সহজ হয়।

**(জ) বিকাশৰ প্ৰত্যেক স্তৰতে নিজস্ব চৰিত্ৰগত বৈশিষ্ট্য আছে ঃ** প্ৰত্যেক বয়সতে কিছুমান চৰিত্ৰগত বৈশিষ্ট্যৰ বিকাশ আন কিছুমানতকৈ দ্ৰুতগতিত হয় বিকাশৰ প্ৰত্যেক স্তৰতেই কিছুমান গুণ বা চৰিত্ৰ সৰ্বোচ্চ বা মুখ্যৰূপত দেখা পোৱা যায় আৰু আনুষঙ্গিক বৈশিষ্ট্যসমূহ নিয়ন্ত্ৰণ কৰে। উদাহৰণস্বৰূপে এটি শিশুৱে দুইবছৰ বয়সলৈকে নিজৰ প্ৰতি ধ্যান দিয়ে, নিজৰ শৰীৰৰ ওপৰত নিয়ন্ত্ৰণ ক্ষমতা আয়ত্ব কৰিবলৈ লয়, কথা ক'বলৈ শিকে ইত্যাদি। সেইদৰে ৩ ৰ পৰা ৬ বছৰৰ বয়সৰ শিশুয়ে সামাজিক প্ৰাণী হ'বৰ বাবে কৌশল আয়ত্ব কৰে।

**(ঝ) শিশুৰ বহুত সমস্যা জড়িত আচৰণ উদ্ভৱ হোৱাৰ সময়ত স্বাভাৱিক বুলি বিবেচনা কৰা হয় ঃ** শিশুৰ প্ৰত্যেক বয়সতে কেতবোৰ অস্বাভাৱিক আচৰণ পৰিলক্ষিত হয় আৰু সেইবোৰ স্বাভাৱিক হিচাপে গণ্য কৰা হয়, কিন্তু পিছলৈ অৰ্থাৎ পিছৰ স্তৰত বাঢ়ি গৈ থাকে। উদাহৰণ স্বৰূপে এটি শিশু প্ৰথমে স্কুললৈ যোৱাৰ সময়ত অৰ্থাৎ নাম ভৰ্ত্তি কৰাৰ সময়ত মিছা কথা কোৱাটো তেনেই সাধাৰণ কথা। ঠিক সেইদৰে প্ৰাথমিক স্কুললৈ যোৱাৰ সময়ত কল্পনা বিলাস হোৱাটো স্বাভাৱিক কথা সেয়েহে শিশুৱে বয়স অনুযায়ী কেনেধৰণৰ আচৰণ কৰিব লাগে তাক আগতিয়াকৈ বুজিব আৰু অনুমান কৰিব পাৰি।

ওপৰত উল্লেখ কৰা নীতি সমূহৰ দ্বাৰা মানৱ বিকাশৰ ধাৰা, বয়স অনুপাতে হোৱা শাৰীৰিক, মানসিক পৰিৱৰ্তন, প্ৰস্তুতি আদিৰ বিষয়ে বুজাত সহজ হয়। এই নীতিসমূহৰ ওপৰত ভিত্তি কৰি শিক্ষকে শিক্ষা অনুস্থানত সু পৰিৱেশ সৃষ্টি কৰাৰ লগতে, শিক্ষণৰ সঁজুলি প্ৰস্তুত, আহৰণ আৰু শিক্ষাদান কৰাটো সহজ হৈ পৰে। পিতৃ-মাতৃ, অভিভাৱক সকলেও ইয়াৰ যোগেদি শিশুৰ বৃদ্ধিৰ প্ৰক্ৰিয়া আৰু বিকাশ বুজাত সহায় হয়, সেয়েহে পিতৃ-মাতৃয়ে শিশুৰ সুস্থ বৃদ্ধি আৰু বিকাশ ঘটাবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

## ১.২ (ক) বিকাশাত্মক ক্ৰিয়া (Developmental Task) ঃ

প্ৰত্যেক শিশুৱে কিছুমান ক্ষমতা লৈয়েই জন্মগ্ৰহণ কৰে। এই ক্ষমতা ব্যক্তি বিশেষে পৃথক পৃথক হ'লেও ইয়াকে সমল হিচাপে লৈ বিকাশৰ পথত আগবাঢ়ি যাব পাৰে। বিকাশৰ এই ক্ষমতা সকলোৱে অনুমান কৰিব পাৰে। এইটো কথা ক'ব পাৰি যে কিছুমান মানুহে কেতবোৰ কৌশল বা আচাৰ ব্যৱহাৰৰ নমুনা অন্য কিছুমান মানুহতকৈ সহজে আয়ত্ব কৰিব পাৰে। অৱশ্যে এটা নিৰ্দিষ্ট সময়ত সকলোৱেই এই কৌশলসমূহ আয়ত্ব কৰিব পৰা হয়। সমাজেও এইটো আশা কৰে যে— বিকাশৰ